অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ (এজবেক)
ASSAM JATIYA BIDYALAY EDUCATION COUNCIL (AJBEC)
নুনমাটি, গুৱাহাটী-৭৮১০২০, অসম
Noonmati, Guwahati-781020, Assam
Ph. : 0361-2654229, 9864202080, e-mail : ajbecghy@gmail.com, website : www.ajbec.com

প্ৰসংগ ঃ এজবেক/০৯/০৪/২০২৪-২৫
Ref :

তাৰিখ ঃ০৮-১০-২০২৪
Date :

# অসম জাতীয় বিদ্যালয়ত 'আন্তঃ জাতীয় বিদ্যালয় তৰ্ক প্ৰতিযোগিতা'ৰ আয়োজন

**গুৱাহাটী, ৮ অক্টোবৰ, ২০২৪ :** অসম জাতীয় বিদ্যালয়ত অহা ৭ ডিচেম্বৰ, ২০২৪ত আন্তঃ জাতীয় বিদ্যালয় তৰ্ক প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। এই প্ৰতিযোগিতাৰ পূৰ্বে অহা ২৫ নৱেম্বৰৰ ভিতৰত জিলা পৰ্য্যায়ত প্ৰাৰম্ভিক প্ৰতিযোগিতা অনুষ্ঠিত কৰিব লাগিব। অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ অন্তৰ্গত জাতীয় বিদ্যালয়সমূহৰ অষ্টম শ্ৰেণীৰ পৰা দশম শ্ৰেণীৰ শিক্ষাৰ্থীৰ মাজত জাতীয় বিদ্যালয় জিলা সমন্বয়ৰক্ষী সমিতিৰ উদ্যোগত উক্ত প্ৰাৰম্ভিক প্ৰতিযোগিতা অনুষ্ঠিত কৰিব লাগিব। প্ৰতিখন জিলাৰ পৰা প্ৰাৰম্ভিক প্ৰতিযোগিতাত নিৰ্বাচিত দুগৰাকী প্ৰতিযোগীয়ে মূল প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পাৰিব। উক্ত প্ৰতিযোগী দুগৰাকীৰ নাম ৯১০১০১৬৮৫৩ ফোন নম্বৰটোত হোৱাটছএপ যোগেদি ২৮ নৱেম্বৰৰ ভিতৰত পঠাব লাগিব।

প্ৰতিযোগিতাৰ সবিশেষ তথ্য জানিবৰ বাবে ৯১০১০১৬৮৫৩ নম্বৰত ফ'ন কৰাৰ লগতে অসম জাতীয় বিদ্যালয়ৰ ৱেবছাইট www.assamjatiyabidyalay.com আৰু www.ajbec.comত চাব পাৰিব।

(ডা° নাৰায়ণ শৰ্মা)
সচিব
অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়

অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ
ASSAM JATIYA BIDYALAY EDUCATION COUNCIL
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati-781020
Ph. : 0361-2654229, 98642 02080, e-mail : ajbecghy@gmail.com, website : www.ajbec.com

প্ৰসংগ ঃ এজবেক/০৪/০১/২০২৪-২৫
Ref :

তাৰিখ ঃ ০৮-১০-২০২৪
Date :

# অসম জাতীয় বিদ্যালয়ত আন্তঃ জাতীয় বিদ্যালয় তৰ্ক প্ৰতিযোগিতা

গুৱাহাটী, ৮ অক্টোবৰ, ২০২৪ : অসম জাতীয় বিদ্যালয়ত অহা ৭ ডিচেম্বৰ, ২০২৪ তাৰিখে হ'বলগীয়া আন্তঃ জাতীয় বিদ্যালয় তৰ্ক প্ৰতিযোগিতাৰ মূল প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে প্ৰতিযোগী নিৰ্বাচনৰ উদ্দেশ্যে জিলা পৰ্য্যায়ত প্ৰাৰম্ভিক প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এই প্ৰাৰম্ভিক প্ৰতিযোগিতা অনুষ্ঠিত কৰাত সহায়ক হোৱাকৈ কেইটামান বিষয় ইয়াত দিয়া হৈছে। জিলা জাতীয় বিদ্যালয় সমন্বয়ৰক্ষী সমিতিসমূহে এই বিষয়কেইটাৰ ভিতৰত কোনো এটা বিষয় প্ৰাৰম্ভিক প্ৰতিযোগিতাৰ বাবে বিবেচনা কৰিব পাৰে। অৱশ্যে এইক্ষেত্ৰত কোনো বাধ্যবাধকতা নাই। জিলা সমিতিয়ে নিজাববীয়াকৈও বিষয় নিৰ্বাচন কৰিব পাৰিব।

তৰ্ক প্ৰতিযোগিতাৰ বিষয়সমূহ হ'ল—

১। সদনৰ মতে, 'শিক্ষাৰ্থীয়ে সক্ৰিয় ৰাজনীতিত অংশগ্ৰহণ কৰা অনুচিত'।

২। সদনৰ মতে, 'বিদ্যালয় পাঠ্যক্ৰমত দক্ষতা বিকাশৰ ওপৰতহে সৰ্বাধিক গুৰুত্ব দিয়া উচিত'।

৩। সদনৰ মতে, 'বৰ্তমান সময়ত বিশ্বায়নে থলুৱা সংস্কৃতিলৈ বিপদ কঢ়িয়াই আনিছে'।

ধন্যবাদ সহকাৰে

(ডাঃ নাৰায়ণ শৰ্মা)
সচিব
অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়

অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ (এজবেক)
ASSAM JATIYA BIDYALAY EDUCATION COUNCIL (AJBEC)
নুনমাটি, গুৱাহাটী-৭৮১০২০, অসম
Noonmati, Guwahati-781020, Assam
Ph. : 0361-2654229, 9864202080, e-mail : ajbecghy@gmail.com, website : www.ajbec.com

প্ৰসংগ ঃ এজবেক/১৪/১৪/২০২৪-২৫
Ref :

তাৰিখ ঃ০৮-১০-২০২৪
Date :

প্ৰতি,

সভাপতি/সম্পাদক
জিলা জাতীয় বিদ্যালয় সমন্বয়ৰক্ষী সমিতি (সকলো)

শ্ৰদ্ধাভাজনেষু,

নমস্কাৰ গ্ৰহণ কৰিব। আপোনাক/আপোনালোকক জনাবলৈ পাই সুখী হৈছোঁ যে অসম জাতীয় বিদ্যালয়ত অহা ৭ ডিছেম্বৰ, ২০২৪ত আন্তঃ জাতীয় বিদ্যালয় তৰ্ক প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। এই প্ৰতিযোগিতাৰ পূৰ্বে জাতীয় বিদ্যালয় জিলা সমন্বয়ৰক্ষী সমিতিসমূহে জিলা পৰ্য্যায়ত প্ৰাৰম্ভিক প্ৰতিযোগিতা অনুষ্ঠিত কৰি নিৰ্বাচিত দুগৰাকী প্ৰতিযোগীৰ নাম অহা ২৮ নৱেম্বৰ, ২০২৪ তাৰিখৰ ভিতৰত এজবেক কাৰ্য্যালয় সহায়ক মৌচম কুমাৰ ৰাজখোৱাৰ ৯৮৬৪২০২০৮০ ফোন নম্বৰত পঠিয়াবলৈ অনুৰোধ জনালোঁ। প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ নিয়মাৱলীৰ প্ৰতিলিপি ইয়াৰ লগত সন্নিৱিষ্ট কৰি দিয়া হৈছে।

ধন্যবাদ সহকাৰে—

(ডা° নাৰায়ণ শৰ্মা)
সচিব
অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়

অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ (এজবেক)
ASSAM JATIYA BIDYALAY EDUCATION COUNCIL (AJBEC)
নুনমাটি, গুৱাহাটী-৭৮১০২০, অসম
Noonmati, Guwahati-781020, Assam
Ph. : 0361-2654229, 9864202080, e-mail : ajbecghy@gmail.com, website : www.ajbec.com

প্ৰসংগ ঃ এজবেক/০৪/০২/২০২৪-২৫ তাৰিখ ঃ ০৮-১০-২০২৪
Ref : Date :

# অসম জাতীয় বিদ্যালয়ত 'আন্তঃ জাতীয় বিদ্যালয় তৰ্ক প্ৰতিযোগিতা'ৰ আয়োজন

**গুৱাহাটী, ৮ অক্টোবৰ, ২০২৪ :** অসম জাতীয় বিদ্যালয়ত অহা ৭ ডিচেম্বৰ, ২০২৪ত আন্তঃ জাতীয় বিদ্যালয় তৰ্ক প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। প্ৰতিযোগিতাখনিৰ নিয়মাৱলী এনে ধৰণৰ—

১। আন্তঃ জাতীয় বিদ্যালয় তৰ্কৰ মূল প্ৰতিযোগিতাখন অহা ৭ ডিচেম্বৰ, ২০২৪ত অসম জাতীয় বিদ্যালয়ত অনুষ্ঠিত হ'ব। এই প্ৰতিযোগিতাত জিলা পৰ্য্যায়ত হ'বলগীয়া প্ৰাৰম্ভিক প্ৰতিযোগিতাত নিৰ্বাচিত প্ৰতিযোগীয়েহে অংশগ্ৰহণ কৰিব পাৰিব।

২। আন্তঃ জাতীয় বিদ্যালয় তৰ্কৰ প্ৰাৰম্ভিক প্ৰতিযোগিতা জিলা পৰ্য্যায়ত অনুষ্ঠিত হ'ব। অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ অন্তৰ্গত বিদ্যালয়সমূহৰ অষ্টম শ্ৰেণীৰ পৰা দশম শ্ৰেণীৰ শিক্ষাৰ্থীয়ে জিলা পৰ্য্যায়ত হ'বলগীয়া প্ৰাৰম্ভিক প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পাৰিব।

৩। জিলা পৰ্য্যায়ত হ'বলগীয়া প্ৰাৰম্ভিক প্ৰতিযোগিতা জাতীয় বিদ্যালয় জিলা সমন্বয়ৰক্ষী সমিতিৰ উদ্যোগত অনুষ্ঠিত হ'ব। এই সমিতিয়ে জিলা পৰ্য্যায়ত প্ৰতিযোগিতা অনুষ্ঠিত কৰি অহা ২৮ নৱেম্বৰ, ২০২৪ তাৰিখৰ ভিতৰত প্ৰতিখন জিলাৰ পৰা দুগৰাকীকৈ নিৰ্বাচিত প্ৰতিযোগীৰ নাম পঠিয়াব লাগিব। প্ৰতিযোগীসকলৰ নাম বিদ্যালয়ৰ ই-মেইল ajbecghy@gmail.com অথবা ৯৮৬৪২০২০৮০ নম্বৰত হোৱাট্ছএপযোগে পঠাব লাগিব। মূল প্ৰতিযোগিতাত জিলা পৰ্য্যায়ত নিৰ্বাচিত হৈ অহা প্ৰতিযোগী দুগৰাকীৰ এগৰাকীয়ে সপক্ষে আৰু আন গৰাকীয়ে বিপক্ষে বক্তব্য আগবঢ়াব।

৪। প্ৰতিযোগীসকলে মূল প্ৰতিযোগিতাৰ বাবে কোনো ভৰ্তি মাচুল দিব নালাগে।

৫। কোনো জিলা সমন্বয়ৰক্ষী সমিতিয়ে প্ৰাৰম্ভিক প্ৰতিযোগিতা পাতি প্ৰতিযোগী পঠিয়াবলৈ অপাৰগ হ'লে ২৭ নৱেম্বৰ, ২০২৪ তাৰিখৰ ভিতৰত কাৰণসহ জনাব লাগিব।

৬। মূল প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে অহা প্ৰতিগৰাকী প্ৰতিযোগীৰ লগত একোগৰাকী তত্ত্বাৱধায়ক অহাটো বাধ্যতামূলক।

৭। দূৰণিবটীয়া জিলাসমূহৰ পৰা অহা নিৰ্বাচিত প্ৰতিযোগী দুগৰাকী আৰু তেওঁলোকৰ লগত অহা তত্ত্বাৱধায়ক দুগৰাকীৰ অহা-যোৱাৰ খৰচ বহন কৰাৰ লগতে ৰাতি থকা-খোৱাৰ ব্যৱস্থা কৰা হ'ব। ৰাতি থাকিব খোজাসকলে আগতীয়াকৈ যোগাযোগ কৰিব লাগিব। যোগাযোগৰ নম্বৰ ৯৮৬৪২০২০৮০।

৮। ৭ ডিচেম্বৰ, ২০২৪ত হ'বলগীয়া মূল প্ৰতিযোগিতা সম্পৰ্কে পৰৱৰ্তী সময়ত বিস্তৃতভাৱে জনোৱা হ'ব।

(ডাঃ নাৰায়ণ শৰ্মা)
সচিব
অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়